IYA BARTA Website : www.niyomiyabarta.com
গুৱাহাটী-ডিব্ৰুগড়-বিশ্বনাথ চাৰিআলি-গোৱালপাৰাৰ পৰা প্ৰকাশিত
পৃষ্ঠা ঃ ১৬ + নিয়োগ বাৰ্তা মূল্য ঃ ৮ টকা

## সুপ্ৰভাত


নশ্যাম দাস বিৰলা

আজিৰ দিনটোতে—

- ৰাষ্ট্ৰীয় সামুদ্ৰিক দিৱস।
- সমতা দিৱস।
- ১৯০৫ত স্বাধীনতা সংগ্ৰামী জগজীৱন ৰামৰ জন্ম।
- ১৮৯৪ত শিল্পপতি ঘনশ্যাম দাস বিৰলাৰ জন্ম।
- ১৯০৭ত ভাৰতত বয় স্কাউট আন্দোলনৰ সূচনা।
- ১৯৫৭ত কেৰেলাত বিশ্বৰ প্ৰথম নিৰ্বাচিত কমিউনিষ্ট চৰকাৰ গঠন।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

D.H.S.K. College, A.C.C.C. Library Estd. 1945 Dibrugarh, Assam.

য়োদশ বছৰ □ সংখ্যা ৩১ □ বুধবাৰ □ ২১ চ'ত ১৯৪৪ শক □ ৫ এপ্ৰিল ২০২৩ চন □ VOL-13 □ NO-31 □ WEDNESDAY 5 APRIL 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

### ডিব্ৰুগড়ত 'জাৰ্মানীৰ কৰ্মসংস্কৃতি আৰু জীৱনবোধ' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

## জাৰ্মানত সকলোৱে সময়ক সন্মান কৰে ঃ অভিযন্তা শাশ্বত কুমাৰ দাস

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৪ এপ্ৰিল ঃ** সময়ক শ্ৰদ্ধা আৰু সন্মান জনাব পৰা ক্ষমতা আহৰণ কৰিব পাৰিলেই সকলোৱে আগুৱাই যাব পাৰে। জাৰ্মানীত কৰ্মচাৰীসকলে ৮ ঘণ্টা কাম কৰে। সেই সময়ছোৱাৰ ভিতৰত কোনেও কাৰো স'তে অযথা ফোনকল নকৰে, আনকি ব্যক্তিগত কথাও আলোচনা নকৰে, কোনোৱে আড্ডা দি সময় নষ্ট নকৰে। সকলো কৰ্মচাৰীয়ে সময়ক অতি উচ্চ স্থান দি সন্মান কৰে। জাৰ্মানীৰ বিশিষ্ট ছফ্‌টৱেৰ অভিযন্তা, অসমৰ সুসন্তান শাশ্বত কুমাৰ দাসে এইদৰে কয়। স্নেহবন্ধন, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু নলবাৰীৰ এম এন চি বালিকা মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত 'জাৰ্মানীৰ কৰ্মসংস্কৃতি আৰু জীৱনবোধ' শীৰ্ষক এক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি তেওঁ কয়, জাৰ্মানীত মানুহৰ জীৱনবোধ আন বহু দেশতকৈ উচ্চ খাপৰ। তেওঁ কয়, জাৰ্মানীত থাকি এক অনন্য অভিজ্ঞতা লাভ কৰিছে। জাৰ্মানীত তেওঁ থকা সময়ছোৱাত কোনোদিনেই বিদ্যুৎ কৰ্তন, পানী যোগান আদি ব্যাহত হোৱা দেখা নাই। আৰক্ষীৰ ব্যৱহাৰ, আচৰণ অতি প্ৰশংসনীয় বুলি উল্লেখ কৰি কয়, জাৰ্মানীত কামৰ বিনিময়ত ঘোচ দিয়া বা লোৱা কোনোদিনেই শুনা নাই। জাৰ্মানীত মন্ত্ৰীৰ কনভয় কোনোদিনে দেখা নাই বুলি উল্লেখ কৰি কয়, আনকি জাৰ্মানীত দীৰ্ঘদিন ধৰি থকা সময়ছোৱাত কোনো মাতালৰ কাজিয়া-পেচাল শুনা নাই। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা পিনাক্ষী কোঁৱৰে আঁত ধৰা অনুষ্ঠানটোত দাসে কয়, জাৰ্মানীত পথ দুৰ্ঘটনাও কম। সৰুৰে পৰা জাৰ্মানত সন্তানক কেনেকৈ পথ অতিক্ৰম কৰিব লাগে, কেনেকৈ যান-বাহন আইন মানি চলিব লাগে, ৰাজহুৱা সম্পদক ভাল কিয় ভাল পোৱা উচিত, তেনে শিক্ষা দিয়া হয়। ছফ্‌টৱেৰ বিশেষজ্ঞ দাসে বিশেষভাৱে উল্লেখ কৰি কয়, বন্ধৰ দিনত জাৰ্মানত কোনেও কোনো শব্দ কৰিব নোৱাৰে। কোনোবাই তেনে শব্দ কৰিলে কঠোৰ আইনৰ যোগেদি ব্যৱস্থা গ্ৰহণ কৰা হয় বুলি উল্লেখ কৰে। জাৰ্মানী নিৱাসী বিশিষ্ট আই টি বিশেষজ্ঞ শ্ৰীমন্ত ভূঞাই বক্তৃতানুষ্ঠানটো উদ্বোধন কৰি কয়, কঠোৰ পৰিশ্ৰম, শ্ৰমৰ মৰ্যাদা, শৃংখলা জীৱনবোধৰ বাবেই জাৰ্মান আজি পৃথিৱীৰ উন্নত দেশসমূহৰ ভিতৰত এখন লেখতল' বলগীয়া দেশ হিচাপে পৰিচিত হৈছে। 'স্নেহবন্ধন'ৰ উপ-সভানেত্ৰী, স্কটলেণ্ড নিৱাসী নিৰলা বৰুৱাই পৌৰোহিত্য কৰা বক্তৃতানুষ্ঠানত অতি ৰসাল আৰু মননশীল বক্তৃতা প্ৰদান কৰি দাসে কয়, জাৰ্মানত আনকি কুকুৰৰ ভুক-ভুকনিও কম। তেওঁৰ অভিজ্ঞতা সম্পৰ্কত কয় যে জাৰ্মানত থকা দীৰ্ঘ সময়ছোৱাত মাথোঁ এদিনৰ বাবে ৩ ঘণ্টাৰ বাবে ইণ্টাৰনেট সেৱা ব্যাহত কৰা হৈছিল, তাকো সকলো গ্ৰাহকক কোম্পানীয়ে আগতীয়াকৈ জনাইছিল। জাৰ্মানৰ শিক্ষা, প্ৰযুক্তি, স্বাস্থ্য ইত্যাদিৰ দিশত বৰ মনোগ্ৰাহী বক্তৃতা প্ৰদান কৰে শাশ্বত কুমাৰ দাসে। পৃথিৱীৰ বিভিন্ন ঠাইৰ প্ৰায় ডেৰ শতাধিক অংশগ্ৰহণকাৰীয়ে ভাগ লোৱা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে 'স্নেহবন্ধন'ৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই। প্ৰায় দুঘণ্টা সময় সকলোকে মন্ত্ৰমুগ্ধ কৰি ৰখা অনুষ্ঠানটোত 'স্নেহবন্ধন'ৰ সভানেত্ৰী, গ্ৰেট ব্ৰিটেইনৰ লেষ্টাৰ নিৱাসী মঞ্জিৰা চৌধুৰী উপস্থিত থকা এই বক্তৃতানুষ্ঠানত 'স্নেহবন্ধন'ৰ উপদেষ্টা গ্ৰেট ব্ৰিটেইন নিৱাসী লাহৰী বৰঠাকুৰ, ইউ এছ টি এমৰ সমউপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাস, নেদাৰলেণ্ডৰ সৌৰভ কুমাৰ বৈদ্য, 'স্নেহবন্ধন'ৰ সহকাৰী সম্পাদক, দক্ষিণ আফ্ৰিকাৰ প্ৰিট'ৰিয়া নিৱাসী বিশিষ্ট বিজ্ঞানী ড° মুকুট গোহাঁই, ছুইজাৰলেণ্ড নিৱাসী বিশিষ্ট চিকিৎসক, কবি ডাঃ ডেইজী লেখাৰু, 'স্নেহবন্ধন'ৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, আমেৰিকা নিৱাসী ড° ভৰত বৰুৱা, বিশিষ্ট সাংবাদিক পল্লৱ শৰ্মা, সাপটগ্ৰাম মহাবিদ্যালয়ৰ অধ্যক্ষ আৰ পি সিং, অধ্যাপক বুলজিৎ বুঢ়াগোহাঁই, এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গাৰ্গী চক্ৰৱৰ্তীয়েও বক্তব্য দিয়ে। ইয়াৰ পূৰ্বে সমল ব্যক্তি শাশ্বত কুমাৰ দাসৰ পৰিচয় দাঙি ধৰে অধ্যাপক হৰজিন্দৰ সিঙে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় এম এন চি বালিকা মহাবিদ্যালয়ৰ অধ্যাপিকা বন্তি হাজৰিকাই।